**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-11-2024 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। হিংসাত্মক কাৰ্যকলাপত অস্থিৰ হৈ পৰা মণিপুৰৰ পৰিস্থিতি সম্প্ৰতি নিয়ন্ত্ৰিত।

২। ২০৪৭ চনৰ ভিতৰত দেশৰ বন্দৰসমূহৰ বহনক্ষমতা বছৰি ১ কোটি মেট্ৰিকটনলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

৩। আইন আৰু ন্যায় মন্ত্ৰালয়ৰ উদ্যোগত আই আই টি গুৱাহাটীত আজি **আমাৰ সংবিধান, আমাৰ সন্মান** শীৰ্ষক কাৰ্যসূচী।

৪। ব্ৰাজিলত ফ্ৰান্স, ইটালী, নৰ্ৱে, পৰ্টুগাল আৰু ইণ্ডোনেছিয়াসহ কেইবাখনো দেশৰ নেতৃবৰ্গৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বিপাক্ষিক আলোচনা।

*আৰু*

৫। ৰাজ্য চৰকাৰৰ উদ্যোগত তিনিচুকীয়াৰ ৰজা বদৌচা সমন্বয় ক্ষেত্ৰত দুদিনীয়া কাৰ্যসূচীৰে বীৰ ৰাঘৱ মৰাণ দিৱসৰ আয়োজন।

০০০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য মণিপুৰৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে। যোৱা নিশাৰ পৰা ৰাজ্যখনৰ কোনো অঞ্চলৰ পৰা কোনো ধৰণৰ হিংসাত্মক ঘটনাৰ বাতৰি পোৱা হোৱা নাই। অশান্ত ৰাজ্যখনৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে অতিৰিক্তভাৱে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৫০টা কোম্পানী প্ৰেৰণ কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত কালি অনুষ্ঠিত এখন উচ্চ পৰ্যায়ৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি মণিপুৰলৈ গৃহ মন্ত্ৰালয়ে অতিৰিক্তভাৱে ৫ হাজাৰ জোৱান প্ৰেৰণ কৰিব। ইপিনে ৰাজ্যখনত বাহৰ পাতি থকা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান অনিছ দয়াল সিঙে কালি ইম্ফলত আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ মুৰব্বীসকলৰ সৈতে সাম্প্ৰতিক পৰিস্থিতিৰ পৰ্যালোচনা কৰে।

গৃহ মন্ত্ৰালয়ৰ এটা সূত্ৰই প্ৰকাশ কৰা অনুসৰি মন্ত্ৰালয়ৰ উচ্চ পৰ্যায়ৰ বিষয়াৰে গঠিত এটা দলে অচিৰেই মণিপুৰৰ হিংসা জৰ্জৰ অঞ্চলসমূহ ভ্ৰমণ কৰিব। অমিত শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকখনত সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন সন্দৰ্ভতো আলোচনা কৰা হয়। ইতিমধ্যে বৃহস্পতিবাৰে জিৰিবামকে ধৰি ছখন থানাৰ অধীনস্থ অঞ্চলত এই আইন বলৱৎ কৰা হৈছে। ইয়াৰ পূৰ্বে ৰাজ্যখনৰ ১৯ খন থানাৰ এলেকাত এই আইন বলৱৎ আছিল।

মণিপুৰৰ সাম্প্ৰতিক উত্তেজনাময় পৰিস্থিতিৰ প্ৰভাৱ ৰাজ্যখনৰ ৰাজনীতিতো পৰিলক্ষিত হৈছে। কালি জিৰিবামৰ বিজেপিৰ জিলা পৰ্যায়ৰ ৮ গৰাকী বিষয়ববীয়াই দল ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে।

এন বীৰেন সিং নেতৃত্বাধীন চৰকাৰখনৰ প্ৰতি কনৰাড চাংমা নেতৃত্বাধীন এন পি পিৰ ৭জন বিধায়কে সমৰ্থন প্ৰত্যাহাৰ কৰাৰ কথা কালি ঘোষণা কৰিছে। ইপিনে, চৰকাৰখনলৈ নিঃচৰ্ত সমৰ্থন আগবঢ়াই থকা নাগা পিপ'লছ

ফ্ৰণ্টে ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিত তেওঁলোকে চৰকাৰলৈ আগবঢ়োৱা সমৰ্থন কোনোপধ্যে প্ৰত্যাহাৰ নকৰে বুলি স্পষ্ট কৰি দিছে।

০০০০০০০

২০৪৭ চনৰ ভিতৰত দেশৰ বন্দৰসমূহৰ বহনক্ষমতা বছৰি ১ কোটি মেট্ৰিকটনলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কালি নতুন দিল্লীত অনুষ্ঠিত 'সাগৰ মন্থন' শীৰ্ষক আলোচনাচক্ৰত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বন্দৰৰ ক্ষমতা বৃদ্ধিৰ লগতে আন আভ্যন্তৰীণ জলপথৰ পৰিসৰ বৃদ্ধিৰ বাবে ৮০ লাখ কোটি টকা বিনিয়োগেৰে জল পৰিবহণ খণ্ডত বৈপ্লৱিক পৰিৱৰ্তন অনাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ লগতে কয়, যে ভাৰতে ভৱিষ্যতে নিকা ইন্ধনেৰে চলিবপৰা জাহাজ নিৰ্মাণৰ কাম হাতত লৈছে। সাগৰ মন্থন আলোচনাচক্ৰত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়–

বাইট

গ্ৰীচৰ সামুদ্ৰিক পৰিক্ৰমা মন্ত্ৰী ক্ৰিষ্টাছ ষ্টাইলিয়ানাট্ছকে ধৰি প্ৰায় ৬০ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই সাগৰ মন্থন আলোচনাচক্ৰত বন্দৰ পৰিচালনা, সামগ্ৰী পৰিক্ৰমা, জাহাজ নিৰ্মাণ আৰু আইনী সংস্কাৰ আদি বিভিন্ন দিশ আলোচনা কৰা হয়। গ্ৰীচ মন্ত্ৰীগৰাকীৰ সৈতে হোৱা সুকীয়া আলোচনাত দুয়োখন দেশৰ মাজৰ সামুদ্ৰিক বাণিজ্য ২০৩০ চনৰ ভিতৰত দুগুণলৈ বৃদ্ধি কৰিবলৈ দুয়োগৰাকী মন্ত্ৰী সন্মত হয়।

০০০০০০০

২০৪৭ চনৰ ভিতৰত দেশৰ বন্দৰসমূহৰ বহনক্ষমতা বছৰি ১ কোটি মেট্ৰিকটনলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কালি নতুন দিল্লীত অনুষ্ঠিত 'সাগৰ মন্থন' শীৰ্ষক আলোচনাচক্ৰত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বন্দৰৰ ক্ষমতা বৃদ্ধিৰ লগতে আন আভ্যন্তৰীণ জলপথৰ পৰিসৰ বৃদ্ধিৰ বাবে ৮০ লাখ কোটি টকা বিনিয়োগেৰে জল পৰিবহণ খণ্ডত বৈপ্লৱিক পৰিৱৰ্তন অনাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ লগতে কয়, যে ভাৰতে ভৱিষ্যতে নিকা ইন্ধনেৰে চলিবপৰা জাহাজ নিৰ্মাণৰ কাম হাতত লৈছে। সাগৰ মন্থন আলোচনাচক্ৰত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়–

বাইট

গ্ৰীচৰ সামুদ্ৰিক পৰিক্ৰমা মন্ত্ৰী ক্ৰিষ্টাছ ষ্টাইলিয়ানাট্ছকে ধৰি প্ৰায় ৬০ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই সাগৰ মন্থন আলোচনাচক্ৰত বন্দৰ পৰিচালনা, সামগ্ৰী পৰিক্ৰমা, জাহাজ নিৰ্মাণ আৰু আইনী সংস্কাৰ আদি বিভিন্ন দিশ আলোচনা কৰা হয়। গ্ৰীচ মন্ত্ৰীগৰাকীৰ সৈতে হোৱা সুকীয়া আলোচনাত দুয়োখন দেশৰ মাজৰ সামুদ্ৰিক বাণিজ্য ২০৩০ চনৰ ভিতৰত দুগুণলৈ বৃদ্ধি কৰিবলৈ দুয়োগৰাকী মন্ত্ৰী সন্মত হয়।

০০০০০০০

ভাৰতীয় সংবিধান গ্ৰহণ তথা গণতান্ত্ৰিক দেশ হিচাপে ভাৰতৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আইন আৰু ন্যায় মন্ত্ৰালয়ে আই আই টি গুৱাহাটীত আজি **আমাৰ সংবিধান, আমাৰ সন্মান** শীৰ্ষক তৃতীয়টো আঞ্চলিক কাৰ্যসূচীৰ আয়োজন কৰিছে। এই অনুষ্ঠানত আইন আৰু ন্যায় মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় সন্মানীয় অতিথি হিচাপে

উপস্থিত থাকিব। ইয়াৰ উপৰি প্ৰায় এহেজাৰ ৪০০ লোকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি ভাৰতীয় সংবিধান সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা সংবিধানসভাৰ ১৫ গৰাকী মহিলা সদস্যৰ সন্মানাৰ্থে গছ পুলি ৰোপণ কৰা হ'ব। দৈনন্দিন জীৱনত সংবিধানৰ গুৰুত্ব বহন কৰা তথা টেলি আইন আৰু ন্যায়বন্ধু কাৰ্যসূচীৰ সৈতে জড়িত অংশীদাৰ আৰু ক্ষেত্ৰীয় কৰ্মীসকলৰ অভিজ্ঞতাক সামৰি ৭৫টা গল্প সম্বলিত **সংবিধান কথা** শীৰ্ষক এখন আলোচনীও উন্মোচন কৰা হ'ব। ইয়াৰ লগতে টেলি আইন আৰু ন্যায়বন্ধু কাৰ্যসূচীৰ জৰিয়তে সাংবিধানিক অধিকাৰ সুৰক্ষিত কৰা ১০ গৰাকী হিতাধিকাৰীৰ বাস্তৱ জীৱনৰ কাহিনীৰে সমৃদ্ধ এখন চিত্ৰ সম্বলিত কিতাপ উন্মোচন কৰা হ'ব।

ooooo

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ কাইলৈ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত ১২ খন জিলাৰ ৩৮টা সমষ্টি সামৰি লোৱা হ'ব। এইবাৰ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেন বাৰহাইট সমষ্টিৰ পৰা অৱতীৰ্ণ হৈছে। ইপিনে, ৰাজ্যখনৰ বিজেপিৰ মুৰব্বী বাবুলাল মাৰাণ্ডিয়ে ধানৱাৰ আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। মুখ্যমন্ত্ৰীৰ পত্নী কল্পনা চোৰেনক গাণ্ডেক আৰু ভাতৃ বসন্ত চোৰেনক ডুমকা সমষ্টিত প্ৰক্ষেপ কৰা হৈছে। এই পৰ্যায়ত ১ কোটি ২৩ লাখতকৈও অধিক ভোটদাতাই ৫৫ গৰাকী মহিলাকে ধৰি মুঠ ৫২৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ১২ খন জিলাৰ ১৪ হাজাৰ ২১৮টা ভোটগ্ৰহণ কেন্দ্ৰক সাজু কৰি তোলা হৈছে। ৰাজ্যখনৰ নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন সুনিশ্চিত কৰাৰ স্বাৰ্থত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ৬০০ কোম্পানী মোতায়েন কৰা হৈছে।

মহাৰাষ্ট্ৰতো কাইলৈ বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যখনত এটা পৰ্যায়ত ২৮৮ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে ২৩ নৱেম্বৰত দুয়োখন ৰাজ্যৰ নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-২০ শীৰ্ষ সন্মিলনৰ সুযোগতে ফ্ৰান্স, ইটালী, ন'ৰৱে, পৰ্টুগাল আৰু ইণ্ডোনেছিয়াসহ ভালেকেইখন দেশৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত প্ৰধানমন্ত্ৰীয়ে সংশ্লিষ্ট দেশকেইখনৰ ভাৰতৰ লগত থকা সম্পৰ্ক শক্তিশালী আৰু উন্নত কৰাৰ দিশত গুৰুত্ব দিয়ে।

শ্ৰীমোদীয়ে চলিত বৰ্ষত পেৰিছত অলিম্পিক আৰু পেৰালিম্পিক ক্ৰীড়া সমাৰোহ সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁক অভিনন্দন জনায়। দুয়োগৰাকী নেতাই মহাকাশ, শক্তি, কৃত্ৰিম বুদ্ধিমত্তা আৰু ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন সম্ভাৱনামূলক খণ্ডক লৈ আলোচনা কৰে।

প্ৰধানমন্ত্ৰীয়ে ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰজিয়া মেল'নিৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হয়। এই বৈঠকত উভয় দেশৰ মাজত থকা নিৰাপত্তা, প্ৰতিৰক্ষা, বাণিজ্য আৰু প্ৰযুক্তিৰ সম্পৰ্ক ত্বৰান্বিত কৰাত গুৰুত্ব দিয়া হয়। ভাৰত আৰু ইটালীৰ মাজত সংস্কৃতি, শিক্ষাকে ধৰি বিভিন্ন খণ্ডত সহযোগিতা বৃদ্ধি কৰাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়।

আলোচনাকালত দুয়োগৰাকী নেতাই ২০২৫-২৯ বৰ্ষৰ বাবে থকা দেশ দুখনৰ মাজৰ যুটীয়া কৌশলগত সম্পৰ্কক অধিক উন্নত কৰাৰ বিষয়েও কথা পাতে।

প্ৰধানমন্ত্ৰীয়ে ন'ৰৱেৰ প্ৰধানমন্ত্ৰী জ'নাছ গাৰ ষ্টৰৰ সৈতেও আলোচনাত মিলিত হয়। এই আলোচনাকালত উদ্ভাৱন আৰু গৱেষণাক বিশেষ গুৰুত্ব প্ৰদান কৰা হয়।

শ্ৰীমোদীয়ে বাণিজ্য, সুৰক্ষা, স্বাস্থ্য আদি বিষয়ত ইণ্ডোনেছিয়াৰ সৈতে থকা সম্পৰ্ক উন্নত কৰাৰ বাবে দেশখনৰ ৰাষ্ট্ৰপতি প্ৰাবোঅ' ছুবিয়ান্ত'ৰ সৈতেও দ্বিপাক্ষিক বৈঠক মিলিত হয়।

প্ৰধানমন্ত্ৰীগৰাকীয়ে পৰ্টুগালৰ প্ৰধানমন্ত্ৰী লুইছ মণ্টেনেগ্ৰেৰ সৈতেও আলোচনা কৰে। আলোচনাকালত দুয়োগৰাকী নেতাই উভয় দেশৰ অৰ্থনৈতিক সম্পৰ্কক শক্তিশালী কৰাৰ বিষয়ে মত বিনিময় কৰে।

০০০০০০০

মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি, জি-২০ সন্মিলনত প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণ, ৰাজধানী দিল্লীত বায়ু প্ৰদূষণৰ ভয়ানক পৰ্যায় আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰে মণিপুৰৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ৫০টা কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ দল প্ৰেৰণ কৰাৰ লগতে ৰাজ্যখনত ২৪ ঘণ্টাই নিৰাপত্তা বাহিনীয়ে অভিযান চলাব। অমিত শ্বাহৰ অধ্যক্ষতাত কালি অনুষ্ঠিত বৈঠকত গ্ৰহণ কৰা এই সিদ্ধান্তৰ বাতৰিক দৈনিক অসম কাকতে হিংসা-প্ৰতিবাদেৰে উত্তপ্ত মণিপুৰ শিৰোনামেৰে  মুখ্য বাতৰি প্ৰকাশ কৰিছে। বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে **ছিটুৱেছন ইন মণিপুৰ ষ্টীল ভ'লেটাইল** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। আনহাতে দৈনিক অগ্ৰদূত কাকতে মণিপুৰ প্ৰতিবাদকাৰীসহ ৬জন লোকৰ মৃত্যু হোৱাৰ আন এটা বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় কেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত চৰকাৰে বছৰি আৱণ্টন দিয়া ৭০ হাজাৰ কোটি টকাৰ খাদ্য সামগ্ৰী অন্তৰ্ধান হোৱাৰ ফলত প্ৰায় ২৮ শতাংশ দৰিদ্ৰ লোক ৰেচনৰ পৰা বঞ্চিত হৈছে। আই চি আৰ ই আৰৰ এটা প্ৰতিবেদনত প্ৰকাশ পোৱা ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ এই গুৰুতৰ বিসংগতিৰ বাতৰিটো আজি দৈনিক জনমভূমি কাকতে **বছৰি ৭০ হাজাৰ কোটিৰ ৰেচন অন্তৰ্ধান** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী মোদীক সংস্কৃত মন্ত্ৰ ধ্বনিৰে ব্ৰাজিলত প্ৰবাসী ভাৰতীয়সকলে আদৰণি জনোৱাৰ এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে ৰিঅ' ডি জেনেইৰ'ত অনুষ্ঠিত জি-২০ সন্মিলনত অংশগ্ৰহণ কৰে।  একেটা বাতৰিকে নিয়মীয়া বাৰ্তা আৰু দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। দিল্লীৰ বায়ু প্ৰদূষণে জনস্বাস্থ্যলৈ শংকাৰ সৃষ্টি কৰিছে। ইতিমধ্যে উচ্চতম ন্যায়ালয়ে প্ৰদূষণৰ ভয়াবহতাৰ বাবে বিদ্যালয়সমূহ বন্ধৰ নিৰ্দেশ দিছে। আমাৰ অসম কাকতে এই বাতৰিটো দিল্লীত এটা উশাহতে ৪৯টা চিগাৰেটৰ বিহ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতে ৰাইজৰ দল জাতীয় পৰিষদৰ একত্ৰিকৰণ হ'লে নতুন দলৰ নেতৃত্ব নলয় অখিল গগৈয়ে শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে –

এতিয়া পুনৰ ঘূৰি যাও বাতৰিৰ মাজলৈ।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ

এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

ওদালগুৰি জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে কিশোৰী নিৰ্যাতনৰ গোচৰত আফতাব হুছেইন নামৰ এজন লোকক পক্স' আইনৰ অধীনত ২০ বছৰ কাৰাদণ্ড বিহিছে। ওদালগুৰি জিলা আৰু সত্ৰ ন্যায়াধীশ এছ্ এন দেউৰীৰ আদালতে হুছেইনক ২০২১ চনত জিলাখনৰ ওৰাঙৰ নেপালীপাৰাত ১০ বছৰীয়া এটি শিশুক যৌন নিৰ্যাতন চলোৱা গোচৰত দোষী সাব্যস্ত কৰে আৰু ২০ বছৰ কাৰাদণ্ডৰে দণ্ডিত কৰে।

ooooooo

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৃষ্ঠ পোষকতাত তথা অসম মৰাণ সভাৰ উদ্যোগত তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰজা বদৌচা সমন্বয় ক্ষেত্ৰত আজি আৰু কাইলৈ ২৮৯ সংখ্যক বীৰ ৰাঘৱ মৰাণ দিৱসৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মাৰাঠান দৌৰ, চিত্ৰাংকণ, বীৰ ৰাঘৱ মৰাণৰ বিষয়ত ৰচনা প্ৰতিযোগিতা, কবিতা আবৃত্তি, কুইজ, তৰ্ক আদি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি কৃষি মন্ত্ৰী অতুল বৰা, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণৰ লগতে সাংসদ ৰামেশ্বৰ তেলীকে ধৰি কেইবাগৰাকীও বিধায়ক উপস্থিত থাকিব। অনুষ্ঠানত লিডু মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক মৃদুল দহোটিয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব।

বীৰ ৰাঘৱ মৰাণ দিৱস উপলক্ষে আজি ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে সীমিত বন্ধৰ দিন হিচাপে ঘোষণা কৰা হৈছে।

ooooooo

ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত আয়োজন কৰা দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ মাজুলী জিলাতো আজি আৰম্ভ হৈছে। জিলাখনৰ ২০ খন গাঁও পঞ্চায়তত হ'বলগীয়া এই খেল মহাৰণ প্ৰথম পৰ্যায়ত লুইত খাবলু গাঁও পঞ্চায়তত আৰম্ভ হ'ব। প্ৰতিযোগিতাত এইবাৰ কেইবাটাও নতুন খেল অন্তৰ্ভুক্ত কৰাত প্ৰতিযোগিতাসকলৰ মাজত উৎসাহ দেখা গৈছে। এই সন্দৰ্ভত আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়–

***(বাইট)***

ooooo

ভাৰত আৰু মালয়েছিয়াৰ মাজত কালি হায়দৰাবাদৰ গাছিবৌলি ষ্টেডিয়ামত অনুষ্ঠিত ফিফা আন্তঃৰাষ্ট্ৰীয় প্ৰীতি খেলখন ১-১ গলত ড্ৰ' হয়। মালয়েছিয়াৰ হৈ খেলখনৰ ১৯ মিনিটত পাউল' জ'ছোৱে গল দিয়াৰ বিপৰীতে ঘৰুৱা দলটোৰ হৈ ৰাহুল ভেকেইয়ে ৩৯ মিনিটত গ'ল দিয়ে। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ব্ৰেণ্ডন ফাৰ্ণাণ্ডেজক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

oooooo

**সমাপ্ত**